

## দিছপুৰ মহাবিদ্যালয়ৰ উদ্যোগ

# আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰৰ আয়োজন

**গুৱাহাটী, ৪ ফেব্ৰুৱাৰী ঃ** অহা ২৭ আৰু ২৮ ফেব্ৰুৱাৰীত দিছপুৰ মহাবিদ্যালয়ৰ ৰাজনীতি বিভাগৰ উদ্যোগত আই চি এছ এছ আৰ (ICSSR)ৰ পৃষ্ঠপোষকতাত আৰু কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় আৰু নৰ্থ-ইষ্ট ফ'ৰাম ফৰ এডুকেচন এণ্ড ৰিছাৰ্চৰ সহযোগত দুদিনীয়াকৈ এখনি আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰৰ আয়োজন কৰা হৈছে। এই আন্তঃৰাষ্ট্ৰীয় আলোচনাচক্ৰৰ প্ৰথম দিনা উদ্বোধনী অনুষ্ঠান তথা শৈক্ষিক সত্ৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহ আৰু দ্বিতীয় দিনাৰ সামৰণী অনুষ্ঠান দিছপুৰ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত সম্পন্ন হ'ব। আলোচনাচক্ৰৰ মূল বিষয় হ'ল খিলঞ্জীয়া লোকৰ অস্তিত্ব আৰু তেওঁলোকৰ অস্তিত্ব ৰক্ষাৰ ক্ষেত্ৰত সমসাময়িক চিন্তা (Contemporary Concerns of the State of Indigenous People vis-a-vis their Existence and Survival)। আলোচনাচক্ৰখনত ভালেসংখ্যক আন্তঃৰাষ্ট্ৰীয় আৰু ৰাষ্ট্ৰীয় পৰ্যায়ৰ গৱেষক, পণ্ডিত আৰু শিক্ষাবিদ উপস্থিত থাকিব বুলি আশা কৰা হৈছে। আন্তঃৰাষ্ট্ৰীয় আলোচনাচক্ৰখনৰ মূল লক্ষ্য হ'ল— থলুৱা লোকসকলৰ সমস্যাসমূহৰ সমাধান-সূত্ৰ বিচাৰি উলিওৱা। আলোচনাচক্ৰখনত পাঠৰ বাবে নিৰ্বাচিত গৱেষণা পত্ৰসমূহৰ এটি আই এছ বি এন (ISBN) যুক্ত সংকলন প্ৰকাশ কৰিব বিচৰা হৈছে। আলোচনাচক্ৰৰ বাবে গৱেষণাপত্ৰ জমা দিয়াৰ অন্তিম তাৰিখ হৈছে অহা ২০ ফেব্ৰুৱাৰী। আগ্ৰহী গৱেষক, পণ্ডিত আৰু শিক্ষকসকলে এই আলোচনাচক্ৰৰ বিষয়ে অধিক তথ্য দিছপুৰ মহাবিদ্যালয়ৰ ৱেবছাইটৰ পৰা সংগ্ৰহ কৰিব পাৰে (dispurcollege.ac.in) অথবা সমন্বয়ক ড° শিক্ষা জ্যোতি ডেকাৰ সৈতে যোগাযোগ কৰিব পাৰে (ই-মেইল আই ডি ঃ seminar6666psc@gmail.com)। দিছপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাই এক প্ৰেছ বিজ্ঞপ্তিযোগে এই কথা জানিবলৈ দিছে।

# দিছপুৰ কলেজৰ উদ্যোগত আন্তঃৰাষ্ট্ৰীয় আলোচনা-চক্ৰ

আমাৰ অসম'ৰ মহানগৰৰ বিশেষ প্ৰতিবেদক, ৪ ফেব্ৰুৱাৰী ঃ দিছপুৰ মহাবিদ্যালয়ৰ ৰাজনীতি বিভাগৰ উদ্যোগত, আই চি এছ আৰৰ পৃষ্ঠপোষকতাত আৰু কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক বিশ্ববিদ্যালয় আৰু নৰ্থ-ইষ্ট ফ'ৰাম ফ'ৰ এডুকেশ্যন এণ্ড ৰিচাৰ্চৰ সহযোগত ২৭ আৰু ২৮ ফেব্ৰুৱাৰীত এখন আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা-চক্ৰৰ আয়োজন কৰা হৈছে। মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ নৱজ্যোতি বৰাই জানিবলৈ দিয়া মতে ইয়াৰে ২৭ ফেব্ৰুৱাৰীৰ উদ্বোধনী অনুষ্ঠানৰ লগতে আলোচনা চক্ৰখন শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ চৌহদৰ শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আৰু ২৮ ফেব্ৰুৱাৰীৰ আলোচনা চক্ৰআৰু সামৰণি অনুষ্ঠানটো মহাবিদ্যালয় চৌহদত অনুষ্ঠিত হ'ব। এই আলোচনা চক্ৰৰ মূল বিষয় হ'ল— খিলঞ্জীয়া লোকৰ অস্তিত্ব আৰু তেওঁলোকৰ অস্তিত্ব ৰক্ষাৰ ক্ষেত্ৰত সমসাময়িক চিন্তা। আলোচনা চক্ৰখনত পাঠৰ বাবে নিৰ্বাচিত গৱেষণা পত্ৰসমূহৰ এটি আই-এচ-বি-এন যুক্ত সংকলন প্ৰকাশ কৰিব বিচৰা হৈছে। আলোচনা চক্ৰৰ বাবে গৱেষণা-পত্ৰ জমা দিয়াৰ অন্তিম তাৰিখ হৈছে অহা ২০ ফেব্ৰুৱাৰী। আগ্ৰহী গৱেষক, পণ্ডিত আৰু শিক্ষকসকলে এই আলোচনা চক্ৰৰ বিষয়ে অধিক তথ্য জানিব বিচাৰিলে দিছপুৰ মহাবিদ্যালয়ৰ ৱেবছাইটৰ পৰা সংগ্ৰহ কৰিব পাৰিব (dispurcollege.ac.in) অথবা সমন্বয়ক ডঃ শিক্ষা জ্যোতি ডেকাৰ সৈতে যোগাযোগ কৰিব পাৰিব। (ই-মেইল আই ডিঃ seminar6666psc@gmail.com)।

MONDAY

দৈনিক জনসাধাৰণ 6 February - 2023

কৰাৰ লগতে সমগ্ৰ মাজুলীৰ গুৰুত্বপূৰ্ণ পথ-উপপথসমূহত ষ্ট্ৰীট লাইটৰ ব্যৱস্থা কৰিবলৈ চৰকাৰৰ প্ৰতি আহ্বান জনায়।

# দিছপুৰ মহাবিদ্যালয়ত শিক্ষাৰ্থীৰ অভিভাৱকৰে মতবিনিময় অধ্যক্ষৰ

গুৱাহাটী, ৫ ফেব্ৰুৱাৰী ঃ ৰাজ্যৰ আগশাৰীৰ মহাবিদ্যালয় দিছপুৰ মহাবিদ্যালয়ৰ আজি অভিভাৱকৰ সৈতে এক মত বিনিময় অনুষ্ঠান সম্পন্ন হয়। দ্বিতীয় ষান্মাসিকৰ শিক্ষাৰ্থীসকলৰ অভিভাৱকৰ সৈতে অধ্যক্ষ ড° নৱজ্যোতি বৰাই মত বিনিময় কৰে। এই মত বিনিময় অনুষ্ঠানত মহাবিদ্যালয়খনৰ সকলো ক্ষেত্ৰত অভিভাৱসকলৰ সহায়-সহযোগিতা বিচৰাৰ লগতে অধ্যক্ষগৰাকীয়ে মহাবিদ্যালয়খনৰ নিয়ম আৰু নিয়মাৱলীৰ বিষয়ে অভিভাৱকসকলক অৱগত কৰে। তেওঁ কয় যে শিক্ষাৰ্থীৰ উপস্থিতি ৭৫ শতাংশ অতি আৱশ্যক আৰু শিক্ষাৰ্থীসকলে অনুশাসন বজাই ৰাখিব লাগে। লগতে আয়োজিত আলোচনা চক্ৰত শিক্ষাৰ্থীসকল উপস্থিত থাকিব লাগে বুলি উল্লেখ কৰে।

নিয়মীয়া বাৰ্তা মঙলবাৰ, ২৮ ফেব্ৰুৱাৰী ২০২৩

# আগ্ৰাসন বন্ধ কৰি ধৰিত্ৰীক ৰক্ষা কৰিবলৈ খিলঞ্জীয়াক দিব লাগিব সুৰক্ষা

## কলাক্ষেত্ৰত 'ৰাজ্যৰ খিলঞ্জীয়া লোকসকলৰ অস্তিত্ব আৰু অস্তিত্বৰ ক্ষেত্ৰত তেওঁলোকৰ অৱস্থাৰ উদ্বেগ' শীৰ্ষক আলোচনা-চক্ৰত মন্ত্ৰী ডাঃ পেগু



**ষ্টাফ ৰিপ'ৰ্টাৰ, ২৭ ফেব্ৰুৱাৰী ঃ** দিছপুৰ মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ উদ্যোগত আৰু এনইএফইআৰৰ সহযোগত তথা ভাৰতীয় সমাজ বিজ্ঞান গৱেষণা পৰিষদ (ICSSR)ৰ পৃষ্ঠপোষকতাত 'ৰাজ্যৰ খিলঞ্জীয়া লোকসকলৰ অস্তিত্ব আৰু অস্তিত্বৰ ক্ষেত্ৰত অৱস্থাৰ উদ্বেগ' ১০ পৃষ্ঠাত

## আগ্ৰাসন বন্ধ কৰি ধৰিত্ৰীক ৰক্ষা কৰিবলৈ খিলঞ্জীয়াক দিব

শীৰ্ষক এখন দুদিনীয়া আন্তঃৰাষ্ট্ৰীয় আলোচনা সত্ৰ অনুষ্ঠিত হয়। কলাক্ষেত্ৰৰ শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আজি অনুষ্ঠিত শুভাৰম্ভণী অনুষ্ঠানত দিছপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি ধৰাই আদৰণী ভাষণত মহাবিদ্যালয়খনৰ ইতিহাস সুঁৱৰি বৰ্তমান মহাবিদ্যালয়খনে 'অ'পেন' নামৰ ৰাষ্ট্ৰীয় আলোচনীখনৰ পৰিসংখ্যাত ৰাজ্যখনৰ ভিতৰতে দ্বিতীয় স্থান আৰু উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰতে ষষ্ঠ স্থান অধিকাৰ কৰিবলৈ সক্ষম হৈছে বুলি উল্লেখ কৰে। তদুপৰি, গুণগত আলোচনা সত্ৰৰ মূল বিষয়বস্তুৰ ওপৰত আলোকপাত কৰি খিলঞ্জীয়াৰ অধিকাৰ, অস্তিত্ব, সুৰক্ষা আদি সম্পৰ্কে বিস্তৃত বিৱৰণ আগবঢ়ায়। অনুষ্ঠানত মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি, বিশিষ্ট শিক্ষাবিদ ড° বলেন্দ্ৰ কুমাৰ দাস উপস্থিত থাকি ভূমিপুত্ৰসকলৰ বাৰেবৰণীয়া কৃষ্টি, অসমীয়া সাহিত্য-সংস্কৃতিলৈ আগবঢ়োৱা অৱদানৰ বিষয়ে বৰ্ণনা কৰে। শুভাৰম্ভণী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি অসমৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে খিলঞ্জীয়া মানুহৰ সম্পৰ্কে আলোচনা সত্ৰ আয়োজিত কৰাৰ বাবে দিছপুৰ মহাবিদ্যালয়ক প্ৰথমে ধন্যবাদ জনায়। ইয়াৰ লগে লগে তেওঁ খিলঞ্জীয়াৰ সংজ্ঞাক লৈ থকা মতভেদৰ উপৰি খিলঞ্জীয়াৰ সুৰক্ষাৰ বাবে অধিকাৰৰ প্ৰয়োজন সম্পৰ্কে বিস্তৃত ব্যাখ্যা কৰে। এই প্ৰসংগত তেওঁ উল্লেখ কৰে যে খিলঞ্জীয়াৰ ভাষা, সংস্কৃতি-কৃষ্টি, বিশ্বাস সুৰক্ষা কৰিলেহে হাজাৰ হাজাৰ বছৰজোৰা খিলঞ্জীয়াৰ জ্ঞান অন্বেষণ সুৰক্ষিত হ'ব। ইয়াৰ উপৰি নতুন খনিজ পদাৰ্থ আহৰণ, উত্তৰণ কৰাৰ নামত ঔপনিৱেশবাদৰ দিনৰে পৰা চলি অহা আগ্ৰাসন বন্ধ কৰি ধৰিত্ৰী আইক সুৰক্ষা দিবলৈ খিলঞ্জীয়াক সুৰক্ষা প্ৰদান কৰিব লাগিব বুলি মন্তব্য কৰে। বাগ্মিতা বৰঠাকুৰ আৰু বিশালদীপ কাকতিয়ে আঁত ধৰা উদ্বোধনী অনুষ্ঠানত এছিয়ান আঞ্চলিকতাবাদ বিশ্ববিদ্যালয়ৰ সঞ্চালক মালয়েছিয়াৰ ড° ৰাহুল মিশ্ৰ, বাংলাদেশ আন্তঃৰাষ্ট্ৰীয় কৌশলগত অধ্যয়ন বিদ্যালয়ৰ অধ্যাপক ড° আবু চালাহ মহম্মদ ইউছুফ, গুজৰাট কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ আন্তৰ্জাতিক অধ্যয়ন বিদ্যালয়ৰ অধ্যাপক আৰু ডীন ড° মনীষ, ছিকিম কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ আন্তৰ্জাতিক সম্পৰ্ক বিভাগৰ সহকাৰী অধ্যাপক ড° চেবাষ্টিয়ান এন আদি বিশিষ্ট আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন অধ্যাপক উপস্থিত থকাৰ লগতে বিভিন্ন অঞ্চলৰ মহাবিদ্যালয়সমূহৰ অধ্যাপক আৰু দিছপুৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

হৈ পণ্টনীয়া অভিমুখে ... থকা ...
বাহনখনে পিছফালৰ পৰা ...
মটৰচাইকেল আৰোহীজনক। ফল...
হয়। ইয়াৰ পিছতে উত্তেজনাৰ সৃষ্টি ...
উলুবাৰীৰ মাণিক ৰাজবংশী।

## ভাঙি পেলাব ...

বিভাগক প্ৰতিবেদন দাখিল কৰিব।
সৈতে আলোচনাত মিলিত হৈ ...
নিৰ্মাণ কৰিব লাগিব, কোনবোৰ
এছঅ'পি যুগুতাই কাৰ্যব্যৱস্থা হাত
সচিব, যুটীয়া সচিবে তদাৰকী কৰি
ব্যৱস্থা হিচাপে বৰ্তমান দুৰ্যোগ ব্যৱস্থা
মকড্ৰিল চলি আছে। সেইদৰে ডি...
ভূমিকম্পৰ ঘটনা যাতে সংঘটি...
স্পৰ্শকাতৰ অঞ্চলত স্থায়ী নিৰ্মাণকা...
ভূস্খলনপ্ৰৱণ অঞ্চলৰ পৰা ৰাইজ...

## বিশেষজ্ঞৰ তত্ত্ব...

প্ৰশিক্ষণ কাৰ্যসূচীৰ আৰম্ভ হৈছে।
বাকৰিত বিশেষজ্ঞৰ অধীনত এই ...
বৰাক-ব্ৰহ্মপুত্ৰ উপত্যকাৰ ভিন্ন ...
অংশগ্ৰহণ কৰিছে। বিশিষ্ট বিহু বি...

এপ অথবা ট্ৰল ফ্ৰী নম্বৰ ১৮০০১৮০৮০৮০ত ক...

## দিছপুৰ কলেজৰ আন্তঃৰাষ্ট্ৰীয় আলোচনা-সত্ৰ উদ্বোধন

# খিলঞ্জীয়াৰ সুৰক্ষাত গুৰুত্ব শিক্ষা মন্ত্ৰী ৰণোজ পেগুৰ

**মহানগৰ ব্যুৰ', ২৭ ফেব্ৰুৱাৰী ঃ** 'খিলঞ্জীয়াৰ ভাষা-সংস্কৃতি, কৃষ্টি, বিশ্বাস সুৰক্ষা কৰিলেহে হাজাৰ হাজাৰ বছৰজোৰা খিলঞ্জীয়াৰ জ্ঞান অন্বেষণ সুৰক্ষিত হ'ব।'— এই বক্তব্য শিক্ষা মন্ত্ৰী ৰণোজ পেগুৰ। আজি দিছপুৰ কলেজৰ উদ্যোগত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত অনুষ্ঠিত 'ৰাজ্যৰ খিলঞ্জীয়া লোকসকলৰ অস্তিত্ব আৰু অস্তিত্বৰ ক্ষেত্ৰত অৱস্থাৰ উদ্বেগ' শীৰ্ষক আন্তঃৰাষ্ট্ৰীয় আলোচনা-সত্ৰৰ উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি শিক্ষা মন্ত্ৰীগৰাকীয়ে খিলঞ্জীয়াৰ সুৰক্ষাৰ সন্দৰ্ভত আৰু কয় যে খিলঞ্জীয়াৰ সংজ্ঞাক লৈ থকা মতভেদৰ উপৰি খিলঞ্জীয়াৰ সুৰক্ষাৰ বাবে অধিকাৰৰ প্ৰয়োজন। ঔপনিৱেশিক শাসনৰ পূৰ্বে যিসকল লোক বসবাস কৰিছিল তেওঁলোককেই খিলঞ্জীয়া বুলি বৰ্তমান বিভিন্নজনে ক'ব খোজে বুলি প্ৰসংগক্ৰমে উল্লেখ কৰে। এন ই এফ ই আৰৰ সহযোগত ভাৰতীয় সমাজ বিজ্ঞান গৱেষণা পৰিষদৰ পৃষ্ঠপোষকতাত দুদিনীয়াকৈ অনুষ্ঠিত আলোচনা-সত্ৰখনৰ উদ্বোধনী অনুষ্ঠানত কলেজৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাই আদৰণী ভাষণ দিয়ে। অনুষ্ঠানত কলেজৰ পৰিচালনা সমিতিৰ সভাপতি বিশিষ্ট শিক্ষাবিদ ড° বলেন্দ্ৰ কুমাৰ দাস উপস্থিত থাকি ভূমিপুত্ৰসকলৰ বাবেবৰণীয়া কৃষ্টি তথা অসমীয়া সাহিত্য সংস্কৃতিলৈ আগবঢ়োৱা অৱদানৰ বিষয়ে বৰ্ণনা কৰে। বাগ্মিতা বৰঠাকুৰ আৰু বিশালদ্বীপ কাকতীয়ে আঁত ধৰা উদ্বোধনী অনুষ্ঠানত এছিয়ান আঞ্চলিকতাবাদ বিশ্ববিদ্যালয়ৰ সঞ্চালক মালয়েছিয়াৰ ড° ৰাহুল মিশ্ৰ, গুজৰাট কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ আন্তৰ্জাতিক অধ্যয়ন বিদ্যালয়ৰ অধ্যাপক আৰু ডীন ড° মনীষ আদি বহু বিশিষ্ট ব্যক্তিৰ লগতে বিভিন্ন কলেজৰ অধ্যাপক, শিক্ষাৰ্থীসকলে অংশগ্ৰহণ কৰে।

| গুৱাহাটীৰ বতৰ | | ২৭ ফেব্ৰুৱাৰী |
|---|---|---|
| সৰ্বনিম্ন তাপমাত্ৰা | ঃ | ১৫.২° চেঃ |
| সৰ্বোচ্চ তাপমাত্ৰা | ঃ | ৩১.৮° চেঃ |

**পৰৱৰ্তী ২৪ ঘণ্টাৰ বাবে**
*বতৰ ফৰকাল হৈ থাকিব*



*আগন্তুক ১৪ এপ্ৰিলত বিশ্ব অভিলেখৰ বাবে পৰিৱেশন হ'বলগীয়া বিহুৰ প্ৰাৰম্ভিক প্ৰশিক্ষণ সোমবাৰৰ পৰা কলাক্ষেত্ৰত আৰম্ভ হৈছে। ফটো ঃ দৈনিক জনমভূমি*

## দিছপুৰ কলেজৰ উদ্যোগত কলাক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় আলোচনা সত্ৰ



উদ্বোধনী অনুষ্ঠানত দেশ-বিদেশৰ কেইবাগৰাকী শিক্ষাবিদৰ অংশগ্ৰহণ

# ধৰিত্ৰীক সুৰক্ষা দিবলৈ খিলঞ্জীয়াক সুৰক্ষা প্ৰদান কৰিব লাগিব ঃ ৰণোজ পেগু



গুৱাহাটী, ২৭ ফেব্ৰুৱাৰী ঃ দিছপুৰ মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ উদ্যোগত আৰু এন ই এফ ই আৰৰ সহযোগত তথা ভাৰতীয় সমাজ বিজ্ঞান গৱেষণা পৰিষদ (ICSSR)ৰ পৃষ্ঠপোষকতাত 'ৰাজ্যৰ খিলঞ্জীয়া লোকসকলৰ অস্তিত্ব আৰু অস্তিত্বৰ ক্ষেত্ৰত অৱস্থাৰ উদ্বেগ' (Contemporary Concerns of the State of Indigenous ■ ১৪ পৃষ্ঠাত

### চৰকাৰে প্ৰতিশ্ৰুতি নৰখাৰ বিৰুদ্ধে সৰৱ কাছাৰ কংগ্ৰেছ

## এবছৰে মেৰামতি কৰা



## '২৪ৰ পূৰ্বে এ আই ইউ ডি এফ কংগ্ৰেছত

আমোলত অসুৰক্ষিত হৈ পৰা মুছলমান সমাজক নিৰাপত্তা দিব নোৱাৰে। এই কথা প্ৰকাশ কৰি কংগ্ৰেছ বিধায়কজনে আজি কয়— 'বিজেপিৰ আমোলত সমগ্ৰ অসমৰ মুছলমান সমাজ এতিয়া নিৰাপত্তাহীনতাত ভুগিছে। বিজেপি চৰকাৰে মুছলমানৰ জীৱন আৰু সম্পত্তিৰ সুৰক্ষা কাঢ়ি নিছে। অবিৰাম উচ্ছেদ, ভুৱা এনকাউণ্টাৰ, মাদ্ৰাছা ধ্বংস, বাল্য বিবাহবিৰোধী অভিযান আদি সকলো ক্ষেত্ৰতে বিজেপিয়ে মুছলমানসকলক আক্ৰমণৰ লক্ষ্য কৰি লৈছে। সেইবাবে অসমৰ মুছলমানে এতিয়া বিজেপিৰ আমোলত ত্ৰাহি মধুসূদন সুঁৱৰি নিৰাপত্তা বিচাৰিছে। সেই নিৰাপত্তা মুছলমান সমাজক এ আই ইউ ডি এফে দিব নোৱাৰে। কাৰণ অসমৰ ৰাজনীতিত এ আই ইউ ডি এফে চৰকাৰ গঠন কৰিব নোৱাৰে। কংগ্ৰেছেহে চৰকাৰ গঠন কৰিব পাৰিব। সেইবাবে অহা লোকসভা নিৰ্বাচনৰ পূৰ্বে মুছলমান সমাজে উদ্যোগ লৈ জীৱনৰ নিৰাপত্তাৰ খাতিৰতে এ আই ইউ ডি এফ ভংগ কৰিব আৰু বদৰুদ্দিন আজমলসহ এ আই ইউ ডি এফৰ সকলো সাংসদ-বিধায়ক-নেতা-সমৰ্থক আদিক কংগ্ৰেছত যোগদান কৰিবলৈ বাধ্য কৰিব।' এই কথা প্ৰকাশ কৰি অসমৰ ৰাজনীতিত এ আই ইউ ডি এফে অতি কৌশলেৰে বিজেপিক ৰাজনৈতিক সঞ্জীৱনী সুধা দি থকা বুলিও

## ধৰিত্ৰীক সুৰক্ষা দিবলৈ খিলঞ্জীয়াক

people vis-a-vis there Existence and Survival) শীৰ্ষক এখন দুদিনীয়া আন্তঃৰাষ্ট্ৰীয় আলোচনাসত্ৰৰ আয়োজন কৰা হয়। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আজি অনুষ্ঠিত শুভাৰম্ভণী অনুষ্ঠানত দিছপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাই আদৰণী ভাষণত মহাবিদ্যালয়খনৰ ইতিহাস সুঁৱৰি বৰ্তমান মহাবিদ্যালয়খনে 'অপেন' নামৰ ৰাষ্ট্ৰীয় আলোচনীখনৰ পৰিসংখ্যাত ৰাজ্যখনৰ ভিতৰতে দ্বিতীয় স্থান আৰু উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰতে ষষ্ঠ স্থান অধিকাৰ কৰিবলৈ সক্ষম হৈছে বুলি প্ৰকাশ কৰে। তদুপৰি গুণগত পৰিচালনাৰ ক্ষেত্ৰত ISO-9001-2015 প্ৰমাণপত্ৰ পোৱাৰ লগতে আলোচনাসত্ৰৰ মূল বিষয়বস্তুৰ ওপৰত আলোকপাত কৰি অধ্যক্ষগৰাকীয়ে খিলঞ্জীয়াৰ অধিকাৰ, অস্তিত্ব, সুৰক্ষা আদি সম্পৰ্কে বিস্তৃত বিৱৰণ আগবঢ়ায়। ভাষণ প্ৰসংগত তেওঁ বিগত বছৰটোত মহাবিদ্যালয়খনে ৫ খন আন্তঃৰাষ্ট্ৰীয়, ৭ খন ৰাষ্ট্ৰীয় আৰু ২০ খন ৰাজ্যিক পৰ্যায়ৰ আলোচনা সত্ৰ অনুষ্ঠিত কৰিবলৈ সক্ষম হোৱা বুলি প্ৰকাশ কৰে। অনুষ্ঠানত দিছপুৰ মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি বিশিষ্ট শিক্ষাবিদ ড° বলেন্দ্ৰ কুমাৰ দাস উপস্থিত থাকি ভূমিপুত্ৰসকলৰ বাৰে বৰণীয়া কৃষ্টি অসমীয়া সাহিত্য-সংস্কৃতিলৈ আগবঢ়োৱা অৱদানৰ বিষয়ে বৰ্ণনা কৰে। শুভাৰম্ভণী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে খিলঞ্জীয়া মানুহ সম্পৰ্কে আলোচনাসত্ৰ আয়োজন কৰাৰ বাবে দিছপুৰ মহাবিদ্যালয়ক প্ৰথমে ধন্যবাদ জনায়। ইয়াৰ লগে লগে তেওঁ খিলঞ্জীয়াৰ সংজ্ঞাক লৈ থকা মতভেদৰ উপৰি খিলঞ্জীয়াৰ সুৰক্ষাৰ বাবে অধিকাৰৰ প্ৰয়োজন সম্পৰ্কে বিস্তৃত ব্যাখ্যা কৰে। ঔপনিবেশিক শাসনৰ পূৰ্বে যিসকল লোকে বসবাস কৰিছিল, তেওঁলোকেই খিলঞ্জীয়া বুলি বৰ্তমান বিভিন্নজনে ক'ব খোজে। এই প্ৰসংগত তেওঁ উল্লেখ কৰে যে খিলঞ্জীয়াৰ ভাষা, সংস্কৃতি, কৃষ্টি, বিশ্বাস সুৰক্ষা কৰিলেহে হেজাৰ হেজাৰ বছৰজোৰা খিলঞ্জীয়াৰ জ্ঞান অন্বেষণ সুৰক্ষিত হ'ব। তদুপৰি নতুন খনিজ পদাৰ্থ আহৰণ, উত্তৰণ কৰাৰ নামত উপনিবেশবাদৰ দিনৰে পৰা চলি অহা আগ্ৰাসন বন্ধ কৰি ধৰিত্ৰী আইক সুৰক্ষা দিবলৈ খিলঞ্জীয়াক সুৰক্ষা প্ৰদান কৰিব লাগিব বুলি মন্তব্য প্ৰকাশ কৰে। বাগ্মিতা বৰঠাকুৰ আৰু বিশালদীপ কাকতিয়ে আঁত ধৰা উদ্বোধনী অনুষ্ঠানত এছিয়ান আঞ্চলিকতাবাদ বিশ্ববিদ্যালয়ৰ সঞ্চালক মালয়েছিয়াৰ ড° ৰাহুল মিশ্ৰ, বাংলাদেশ আন্তঃৰাষ্ট্ৰীয় কৌশলগত অধ্যয়ন বিদ্যালয়ৰ অধ্যাপক ড° আবু চালাহ মহম্মদ ইউছুফ, গুজৰাট কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ আন্তৰ্জাতিক অধ্যয়ন বিদ্যালয়ৰ অধ্যাপক আৰু ডীন ড° মনীষ, ছিকিম কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ আন্তৰ্জাতিক সম্পৰ্ক বিভাগৰ সহকাৰী অধ্যাপক ড° চেবাষ্টিয়ান এন আদি বিশিষ্ট আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন অধ্যাপক উপস্থিত থকাৰ লগতে বিভিন্ন অঞ্চলৰ মহাবিদ্যালয়সমূহৰ অধ্যাপক আৰু দিছপুৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। শেষত আলোচনাসত্ৰৰ সমন্বয়ক ড° শিখাজ্যোতি ডেকাই আগবঢ়োৱা শলাগৰ শৰাইৰ অন্তত অসমৰ জাতীয় সংগীতেৰে উদ্বোধনী অনুষ্ঠানৰ সামৰণি পৰে।